# বজাৰ গৱেষণা আৰু তথ্য নেটৱৰ্ক

(Market Research & Information Network)

কেন্দ্ৰীয় চৰকাৰৰ বিপণন আৰু পৰীক্ষণ সঞ্চালকালয়ে আৰম্ভ কৰা এই আঁচনিখনৰ মূল উদ্দেশ্য হৈছে– বৰ্তমানৰ মুক্ত অৰ্থনীতি আৰু প্ৰতিযোগিতামূলক সময়ৰ লগত আমাৰ কৃষক, কৃষিজাত সামগ্ৰীৰ ব্যৱসায়ী আৰু কৃষি-বিপণনৰ লগত জড়িতসকল যাতে সমানে ফেৰ মাৰি আগুৱাই যাব পাৰে– তাৰ বাবে তেওঁলোকক কৃষিজাত সামগ্ৰীসমূহৰ বজাৰৰ তথ্য সময়মতে যোগান ধৰা। ইয়াৰ বাবে সঞ্চালকালয়ে সমগ্ৰ বিশ্বই ব্যৱহাৰ কৰিব পৰাকৈ এটা ৱেবছাইট (www.agmarknet.nic.in) প্ৰস্তুত কৰিছে। ইয়াত কৃষক, ব্যৱসায়ী তথা সংশ্লিষ্ট সকলোৰে বাবে দৰকাৰী কৃষিজাত সামগ্ৰী বিষয়ক বিভিন্ন ধৰণৰ তথ্যৰ প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছে।

ভাৰতবৰ্ষৰ সকলো কৃষিজাত সামগ্ৰীৰ বজাৰকে সামৰি ল'ব বিচৰা এই আঁচনিৰ অধীনত বৰ্তমানলৈ অসমৰ ৰাজ্যিক কৃষি-সামগ্ৰী বিপণন পৰিষদ আৰু ইয়াৰ অধীনৰ ১৩খন বজাৰ সমিতিক সামৰি লোৱা হৈছে। এই সমিতিসমূহে ইয়াৰ বজাৰ এলেকাসমূহৰ বিভিন্ন কৃষিজাত সামগ্ৰীৰ বজাৰৰ মূল্য তথা ইয়াৰ পৰিমাণৰ তথ্য সংগ্ৰহ কৰি কম্পিউটাৰ আৰু ইন্টাৰনেট সেৱাৰ জৰিয়তে ৱেবছাইটটোলৈ পঠিয়ায়। এই তথ্যসমূহ উক্ত ৱেবছাইটটোত নিয়মিতভাৱে প্ৰচাৰিত হয়।

**তথ্য পাব পৰা উৎসসমূহ–**

**(ক) বজাৰ সমিতিসমূহৰ কাৰ্যালয়ত থকা বজাৰৰ মূল্য-তালিকাৰ ফলক।**

**(খ) বজাৰ সমিতিসমূহৰ কাৰ্যালয়ত থকা তথ্য-কোষ।**

**(গ) এগমাৰ্কনেট ৱেবছাইট।**

আপোনাৰ এনে কোনো তথ্যৰ দৰকাৰ হ'লে এই আঁচনিয়ে সামৰি লোৱা নিয়ন্ত্ৰিত বজাৰ সমিতিসমূহৰ কাৰ্যালয়ৰ পৰা পাব পাৰে। ওচৰৰ উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ লগত থকা 'ৰাজহুৱা তথ্য কেন্দ্ৰ' (C.I.C.) নাইবা কম্পিউটাৰ আৰু ইন্টাৰনেট সেৱা থকা আন কোনো অনুষ্ঠানলৈ গৈ আপুনি নিজেও এই তথ্য ল'ব পাৰে।

তাৰবাবে–

(১) কম্পিউটাৰত থকা 'ইন্টাৰনেট এক্সপ্ল'ৰাৰ' (Internet Explorer)ৰ এড্ৰেছবাৰত www.agmarknet.nic.in লিখি সোঁফালে থকা ➡ (Go)ত 'ক্লিক' কৰি (২) নং মেনুখন স্ক্ৰীনত অহালৈ অপেক্ষা কৰক।




(২) বজাৰৰ মূল্য-তালিকাৰ বাবে Prices & Arrivals-ত 'ক্লিক' কৰি (৩) নং মেনুখন স্ক্ৰীনত অহালৈ অপেক্ষা কৰক।



(৩) Market-wise, Commodity-wiseDaily Report-ত ‘ক্লিক’ কৰি (৪) নং মেনুখন স্ক্ৰীনত অহালৈ অপেক্ষা কৰক।







(৪) প্ৰয়োজনীয় তাৰিখটোত ‘ক্লিক’ কৰি (৫) নং মেনুখন স্ক্ৰীনত অহালৈ অপেক্ষা কৰক।

(৫) প্ৰয়োজনীয় ৰাজ্যখন বাচি লওঁক আৰু (৬) নং মেনুখন স্ক্ৰীনত অহালৈ অপেক্ষা কৰক।







(৬) প্ৰয়োজনীয় বজাৰ কেইখন নিৰ্দিষ্ট কৰক। Submit-ত ‘ক্লিক’ কৰি (৭) নং মেনুখন স্ক্ৰীনত অহালৈ অপেক্ষা কৰক।

(৭) প্ৰয়োজনীয় তথ্য কম্পিউটাৰৰ স্ক্ৰীনত পোৱা যাব।




Market: Golaghat

| Commodity | Arrivals (Tonnes) | Origin | Variety | Grade | Minimum Price (Rs./Quintal) | Maximum Price (Rs./Quintal) | Modal Price (Rs./Quintal) |
|---|---|---|---|---|---|---|---|
| Paddy | 4 | NR | Paddy fine | - | 500 | 600 | 580 |
| | | | Paddy Medium | - | 400 | 500 | 450 |
| Rice | 2 | NR | Fine | - | 800 | 1100 | 900 |
| | | | Medium | - | 750 | 900 | 800 |
| Arhar (Tur) | 0.5 | NR | Arhar Dal(Tur) | - | 2400 | 2800 | 2600 |
| Masur Dal | 0.6 | NR | Other | - | 2400 | 2800 | 2600 |
| Mustard Oil | 0.9 | NR | Other | - | 5100 | 5500 | 5300 |
| Jute | 0.5 | NR | Other | - | 700 | 900 | 800 |
| Onion | 0.4 | NR | Other | - | 600 | 800 | 700 |
| Potato | 0.5 | NR | Other | - | 400 | 600 | 500 |
| Maida Atta | 0.5 | NR | Maida Atta | - | 900 | 1100 | 1000 |
| Wheat Atta | 1 | NR | Wheat Atta | - | 800 | 1000 | 900 |

Market: Lanka

| Commodity | Arrivals (Tonnes) | Origin | Variety | Grade | Minimum Price (Rs./Quintal) | Maximum Price (Rs./Quintal) | Modal Price (Rs./Quintal) |
|---|---|---|---|---|---|---|---|
| Paddy | 40 | NR | Paddy | - | 500 | 520 | 510 |
| | | | Paddy fine | - | 500 | 550 | 525 |
| Rice | 50 | NR | Fine | - | 1000 | 1100 | 1050 |
| | | | Other | - | 780 | 880 | 850 |
| | | | Super Fine | - | 1200 | 1300 | 1250 |
| Masur Dal | 4 | NR | Other | - | 2800 | 2900 | 2850 |
| Mustard Oil | 4 | NR | Other | - | 5400 | 5600 | 5500 |